অধ্যায় ৫ ঃ অসমীয়া ভক্তি সাহিত্য

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য

5.2 পৰিচয়

5.3 অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ পৰিচয়

5.4 অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য

5.5 অসমীয়া ভক্তি সাহিত্যৰ ৰূপগত বিভাজন

- 5.5.1 কাব্য
- 5.5.2 গীত
- 5.5.3 নাট
- 5.5.4 অনুবাদ সাহিত্য
- 5.5.5 চৰিত সাহিত্য আৰু গদ্য ৰচনা
- 5.5.6 অন্যান্য ধর্মতত্ত্ব সম্পর্কীয় গ্ৰন্থ

5.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

5.7 অধিক জানিবলৈ

5.8 অগ্রগতিৰ খতিয়ান

5.9 আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভক্তি সাহিত্যৰপটভূমি আৰু স্বৰূপ সম্পর্কে অৱগত হ'ব
- অসমীয়া ভক্তি সাহিত্যৰ প্রধান বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব
- অসমীয়া ভক্তি সাহিত্যৰ ৰূপগত বিভাজন কৰি প্রতিটো ভাগৰে ব্যাখ্যা আগবঢ়াব পাৰিব
- শংকৰোত্তৰ যুগৰ ভক্তি সাহিত্য সম্পর্কে অৱগত হ'ব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি শংকৰদেৱে অসমত আৰম্ভ কৰা ভক্তি আন্দোলনৰ পটভূমি সম্পর্কে বহলাই অধ্যয়ন কৰিলে। তাৰ লগতে অসমৰ ভক্তি আন্দোলনৰ বৈশিষ্ট্যসমূহৰ বিষয়েও সেই অধ্যায়টোত অৱগত হ'ল। এইটো অধ্যায়ত আপুনি অসমীয়া ভক্তি সাহিত্য সম্পর্কে অধ্যয়ন কৰিব।

জীৱনৰ, প্ৰচলিত ব্যৱস্থাৰ পৰিৱৰ্তন উজু হ'ব। কিন্তু সেয়াও বৰ সহজ কাম নাছিল, কাৰণ সেইসময়ত ধৰ্মীয় শৃংখলা সংস্কৃত শাস্ত্ৰত সোমাই আছিল আৰু তাৰ ৰক্ষক হিচাপে আছিল এমুঠি পুৰোহিত আৰু উচ্চ শ্ৰেণীৰ লোক। শংকৰদেৱে সমাজত প্ৰচলিত পুৰণি কাঠামোটো ভাঙিবলৈ হাতত ল'লে এক নব্য দৃষ্টিভংগী, তাতেই সূচনা হ'ল ভক্তি সাহিত্যৰ। ইমান দিনে সংস্কৃত গ্ৰন্থৰ মাজত লুকুৱাই ৰখা জ্ঞান জনতাৰ মুখৰ ভাষালৈ সহজ-সৰল ভাষাৰে কথকৰ দৰে, কাব্যৰ মনোগ্ৰাহী ছন্দৰ ঢৌ তুলি বোৱাই দিলে নিৰক্ষৰ জনতাৰ মাজলৈ। সেই সময়তেই তেওঁৰ আশে-পাশে গোট খালে বিভিন্নজন অনুগামী, যিসকলে হাতে-কামে, চিন্তা-চেতনাৰে তেওঁৰ সহযোগী হৈ সৃষ্টি কৰিলে এক অনুপম সাহিত্য সম্ভাৰ, সৃষ্টি হ'ল মনোৰম অসমীয়া ভক্তি সাহিত্য। সেইবাবেই সাহিত্যৰ বুৰঞ্জীত অসমীয়া সাহিত্যৰ মধ্যযুগটোৰ সোণালী যুগ বুলি সমালোচকসকলে অভিহিত কৰিছে। সাহিত্যৰ ইতিহাসকাৰসকলে অসমীয়া সাহিত্যৰ শ্ৰেণীবিভাজন কৰোতে ভক্তি সাহিত্যৰ সময়ছোৱাক দুটা স্তৰত ভাগ কৰি আলোচনা কৰিছে — শংকৰী যুগ আৰু শংকৰোত্তৰ যুগ। এই যুগ দুটাৰ বিষয়ে আপুনি ইতিমধ্যে প্ৰথম আৰু দ্বিতীয় ষাণ্মাসিকত অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰোঁতে অধ্যয়ন কৰি আহিছে। সেয়ে ইয়াত আৰু সেই বিষয়ে বহলাই আলোচনা দাঙি ধৰা নহ'ল। আমি এই অধ্যায়টোত অসমীয়া ভক্তি সাহিত্যক এই দুটা স্তৰ হিচাপে বিভাজিত নকৰি সামগ্ৰিকভাৱেহে আলোচনা কৰিম।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হৈছে যে, অসমত ভক্তি জাগৰণৰ সৃষ্টিৰ মূলতে বিভিন্ন ৰাজনৈতিক আৰু সামাজিক কাৰকে ক্ৰিয়া কৰিছিল আৰু এই কাৰকবোৰৰ বাবেই সেই সাহিত্যকৰ্মবোৰ সৰ্বসাধাৰণ মানুহৰ বুকুৰ আপোন হিচাপে চিহ্নিত হৈ পৰিল। ভক্তি সাহিত্যৰাজি সৃষ্টি হৈছিল মূলতঃ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ অৰ্থে। এই কথাটোৰ পৰাই আমি ক'ব পাৰোঁ যে, অসমীয়া ভক্তি-সাহিত্যৰাজিত এক আদৰ্শবাদী ধাৰাৰ প্ৰাধান্য বিদ্যমান। এই ধাৰাৰ সাহিত্যৰাজিত ধৰ্মীয় তত্ত্বৰ জটিল কথাবোৰ সহজে বোধগম্য হোৱাকৈ, শ্ৰৱণ-কীৰ্তনৰ সহায়ক হোৱাকৈ ৰচনা কৰা হৈছিল। বিভিন্ন সংস্কৃত গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰাই নহয় সেইবোৰ জাতে-পাতে অসমীয়া কৰি অসমীয়া মাটি-পানীৰ গোন্ধেৰে সজীৱ আৰু জীপাল কৰি জনগণৰ কাষ চপাই দিয়া হ'ল। শংকৰদেৱকে কেন্দ্ৰ হিচাপে লৈ তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ প্ৰমুখ্যে অনন্ত কন্দলী, ৰাম সৰস্বতী, কংসাৰি কায়স্থ, সাৰ্বভৌম ভট্টাচাৰ্য, শ্ৰীধৰ কন্দলী, ৰত্নাকৰ কন্দলী, ৰত্নাকৰ মিশ্ৰ, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ, গোপালচৰণ দ্বিজ, গোপাল আতা, ভাগৱত আচাৰ্য, বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য ইত্যাদি ভক্তিপ্ৰাণ কবিসকলে সাহিত্যৰ বিভিন্ন আংগিকেৰে সাহিত্য ৰচনা কৰি, অনুবাদ কৰি অসমীয়া সাহিত্যক বৰ্ণময় কৰি তোলে। মন কৰিবলগীয়া যে, এই বৈষ্ণৱ কবিসকল আছিল স্বভাৱজাত কবি, প্ৰখৰ ধীসম্পন্ন স্ৰষ্টা। তেওঁলোকে সাহিত্যৰ মাজেদি বিবিধ ৰস সৃষ্টি কৰিও তাৰ অন্তৰালত অন্তঃ সলিলা ফল্গুৰ দৰে বোৱাই ৰাখিছে ভক্তিৰস আৰু কৃষ্ণৰতি। ভক্তি সাধনেৰে মোক্ষপ্ৰাপ্তিৰ পৰিৱৰ্তে ভক্তিৰসৰ প্ৰৱাহত নিমজ্জিত হৈ সাধুসংগৰ সুখ অনুভৱ কৰিব বিচাৰে ('মুক্তিত নিস্পৃহ যিটো সেহি ভকতকো নমো')।

ভক্ত কবিসকলে ভক্তিৰ সকলো তত্ত্বকথা স্ত্ৰী-শূদ্ৰে-সৰ্বলোকে বুজিব পৰাকৈ সাহিত্য

উল্লেখযোগ্য যে, খ্রীষ্টিয় নৱম-দশম শতিকাত সমকালীন ভাৰতীয় আর্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ প্রয়োজনতেই *ভাগৱতখন* ৰচনা কৰা হৈছিল আৰু পৰৱর্তী সময়ত সমগ্র ভাৰতীয় ধর্মীয় সামাজিক জীৱনক এই গ্রন্থই ব্যাপক ৰূপত আলোড়িত কৰিছিল, সেয়ে তেনে এখন গ্রন্থই শংকৰদেৱকো প্রভাৱিত কৰাতো একেবাৰেই স্বাভাৱিক। লগতে শাস্ত্রসন্মত নহ'লে কোনো কথাকেই সেই সময়ৰ জনসাধাৰণে মানি ল'বলৈ প্রস্তুত নাছিল বাবেও শংকৰদেৱে এই দিশটো চেৰাই যোৱা নাছিল। সেইবাবে তেওঁ লিখিছিল—

যিবা কিছু বঢ়া দেখা ইটো অপৰাধ এৰা
ব্যাসো দেন্ত কথাত ৰঞ্জন।
আনো মহাকবিচয় কাব্যৰস নিবন্ধয়
তাক নিন্দে কোন সাধুজন।।

- পৰম ঈশ্বৰ কৃষ্ণৰ ৰূপ-গুণ-মহিমা বর্ণনা, ভগৱন্ত-ভক্তৰ স্বৰূপ, শ্রৱণ-কীর্তনৰ মাহাত্ম্য বা অধিক গুৰুত্ব প্রদান, পূজা-যজ্ঞ-বলি-ব্রত পুৰোহিততন্ত্রৰ অসাৰতা প্রতিপন্ন, অন্য দেৱতামণ্ডলী যে মায়াধীন কৃষ্ণহে কেৱল মায়াধীশ এই সত্য প্রতিষ্ঠা কৰাই হ'ল অসমীয়া ভক্তি সাহিত্যৰ প্রধান বিষয়বস্তু হ'ল। অৱশ্যে, এইবোৰৰ মাজেদিও বিভিন্ন ধৰণে ভগৱন্তৰ বৈষয়িক মানৱ চৰিত্র ৰূপৰ লগতে বহির্জগতৰ বিচিত্র-বিমোহিত-ৰহস্যঘন ৰূপ এটাও এই সাহিত্যৰাজিয়ে দাঙি ধৰিছে।
- এই কথাখিনিৰ পৰা আৰু এটা স্পষ্ট হৈছে যে, অসমীয়া ভক্তি সাহিত্য মূলতঃ অনুবাদমূলক; অৱশ্যে, অনুবাদমূলক হ'লেও অনুবাদৰ ৰীতি সকলোতে কিন্তু একে নহয়। মূলৰ আক্ষৰিক অনুবাদতকৈ ভাবানুবাদৰ সংখ্যা বেছি। *ভাগৱতৰ* কাহিনীৰ লগত আন পুথিৰ কাহিনীৰ 'মধুমিশ্রণ' ঘটাই নতুন সাহিত্য সৃষ্টি কৰা হয়। উদাহৰণস্বৰূপে আমি শংকৰদেৱৰ *ৰুক্মিণী হৰণ কাব্যৰ* কথা ক'ব পাৰোঁ। ইয়াত *ভাগৱত* আৰু *হৰিবংশৰ* কাহিনীৰ সংযোগ ঘটোৱা হৈছে। সেইবাবেই বহু সমালোচকে ভক্তি সাহিত্যক অনুবাদমূলক বোলাতকৈ অনুসৃষ্টিমূলক (trancreation) বুলি মত পোষণ কৰিব বিচাৰে; কাৰণ অনুবাদকসকলে কেতিয়াবা মূলক বহলাইছে, কেতিয়াবা থূপাই সামৰিছে।
- অনুবাদকসকলে য'তেই সুবিধা পাইছে স্থানীয় ৰহন সানিছে; উদাহৰণস্বৰূপে — ঘৰ-বাৰী, বিবাহাদি, উৎসৱ, খাদ্যবস্তু অলংকাৰ, বাদ্যযন্ত্র, গছ-গছনি, পশুপক্ষী আদিৰ বিৱৰণত অসমৰ পৰিৱেশ ৰচনা কৰিছে। নীৰস তত্ত্বগধুৰ আৰু দুর্বোধ্য দার্শনিক কথাসমূহ যিমানদূৰ সম্ভৱ সৰল আৰু চমু কৰিবলৈ যত্ন কৰিছে আৰু শ্রৱণ-কীর্তনত অধিক গুৰুত্ব প্রদান কৰিছে। কাহিনী কথনত ভক্ত কবিসকলে বিশেষ গুৰুত্ব আৰোপ কৰিছিল; কাৰণ তাৰ মাজেদিয়ে ভক্তিৰ মাহাত্ম্য প্রচাৰ কৰাৰ লগতে সর্বসাধাৰণক নৈতিক পাঠো দিব বিচাৰিছিল। আৰু এটি কথা মন কৰিবলগীয়া, ভক্তিৰস প্রকাশত বেছি গুৰুত্ব আৰোপ কৰিলেও বাহ্যিক সৌন্দর্য আৰু ৰসানুভূতি সৃষ্টি নকৰাকৈ থকা নাছিল; কিন্তু পৰিশেষত সেয়া ভক্তিৰ অটল সমুদ্রত লীন গৈছিল।
- ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে, অসমীয়া ভক্তি সাহিত্যৰাজী হ'ল উদ্দেশ্যধর্মী—

ৰচিত এই সাহিত্যৰাজিক বিভিন্ন সমালোচকে বেলেগ বেলেগ ধৰণে ৰূপগতভাৱে বিভাজন কৰি আলোচনা কৰিছে। আলোচনাৰ সুবিধার্থে তলত উল্লেখ কৰা ধৰণে শ্রেণীবিভাজন কৰি আমাৰ অধ্যায়টোত অন্তর্ভুক্ত কৰা হ'ল—

(ক) কাব্য (খ) গীত (গ) নাট

(ঘ) অনুবাদ (ঙ) চৰিত সাহিত্য আৰু গদ্য ৰচনা

(চ) অন্যান্য ধর্মতত্ত্ব সম্পর্কীয় গ্রন্থ

তলত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৫.৫.১ কাব্য

শংকৰদেৱৰ পৰা আৰম্ভ কৰি শংকৰোত্তৰ যুগৰ বৈষ্ণৱ কবিসকলে ভক্তিধর্ম প্রচাৰৰ অর্থে বিবিধ সাহিত্য ৰচনা কৰিছিল। তাৰে ভিতৰত উল্লেখযোগ্য এটা ধাৰা হ'ল কাব্য সাহিত্যৰ ধাৰাটো। আখ্যান প্রধান কাব্যসমূহত বিচিত্র চাৰিত্রিক আচৰণ, সংঘাত আৰু কথোপকথনৰ মাজেৰে 'ধর্মৰ জয়-অধর্মৰ পৰাজয়' প্রকাশ কৰা হৈছে। কৃষ্ণৰ লীলা বৈচিত্র্য (সৃষ্টি, স্থিতি, প্রলয়ৰ উপৰি মানৱী লীলা) কাব্য সাহিত্যৰ অন্যতম উল্লেখযোগ্য বিষয়, লগতে ভক্ত চৰিত্রৰ নিষ্কাম ভক্তিৰ আবেগসিক্ত আকুল ভঙ্গি আৰু ঈশ্বৰৰ কৰুণাৰ বিপৰীতে অভক্তৰ আত্মৰম্ভিতা দমন কাব্যসমূহৰ কেন্দ্রীয় বিষয়বস্তু।

শংকৰদেৱকে আদি কৰি তেওঁৰ শিষ্য-প্রশিষ্যসকলে কেইবাখনো কাব্য ৰচনা কৰি অসমীয়া ভক্তি সাহিত্য ভৰাঁল চহকী কৰি গৈছে। শংকৰদেৱে *হৰিশ্চন্দ্র উপাখ্যান, ৰুক্মিণী হৰণ কাব্য, বলিছলন, অমৃত মথন, অজামিল উপাখ্যান* আৰু *কুৰুক্ষেত্র* নামেৰে সর্বমুঠ 6 খন কাব্য ৰচনা কৰি এই ধাৰাটোৰ শুভাৰম্ভ কৰে। এই গোটেই কেইখন কাব্যৰ মাজেদি কবিয়ে বিষ্ণুৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰিছে। লগতে তেওঁক পূজিলে যে আন দেৱতাক অর্চনা কৰাৰ প্রয়োজন নাই সেই কথা ব্যক্ত কৰিছে।

মহাভাৰতৰ 'ৰাজসূয় যজ্ঞ' অংশটোৰ আধাৰত শংকৰদেৱৰ প্রিয় শিষ্য মাধৱদেৱেও *ৰাজসূয় কাব্য* ৰচনা কৰিছিল। এইখন কাব্যতো কৃষ্ণৰ শ্রেষ্ঠত্বৰ কথাই ঘোষণা কৰা হৈছে। মাধৱদেৱৰ মৌলিক ৰচনাৰীতি, সূক্ষ্ম আৰু ৰসাল বর্ণনা ৰীতি কাব্যখনৰ ছত্রে-ছত্রে ফুটি উঠিছে। বর্ণনাৰ প্রৱাহে কবিৰ ভক্তি স্রোতক ম্লান কৰাৰ পৰিৱর্তে অধিক গাঢ় হে কৰি তুলিছে।

অনন্ত কন্দলী হ'ল এই সময়ছোৱাৰ আন এগৰাকী উল্লেখযোগ্য কাব্যকাৰ। তেওঁ শংকৰদেৱৰ বয়োকণিষ্ঠ সমসাময়িক। শংকৰদেৱৰ সান্নিধ্যলৈ আহি কাব্য ৰচনাৰ বাবে অনুপ্রাণিত হৈ তেওঁ *কুমাৰ হৰণ কাব্য* আৰু *বৃত্রাসুৰ বধ* নামেৰে দুখন কাব্যপুথি ৰচনা কৰিছিল। *ভাগৱত পুৰাণ* আৰু *হৰিবংশকে* আধাৰ হিচাপে লৈ তেওঁ কাব্য দুখনৰ বিষয়বস্তু চয়ন কৰিছে। এই কাব্য দুখনৰ মাজেদি বিষ্ণু নাম মাহাত্ম্য বর্ণনাত কবিজনাই অধিক গুৰুত্ব প্রদান কৰিছে।

ৰূপে গ্ৰহণ কৰিছিল। সৰ্বভাৰতীয় নৱ-বৈষ্ণৱ আন্দোলনৰ লগত সম্বন্ধ ৰাখিবলগীয়া হোৱাত গুৰুদুজনাই গীত আৰু নাট্য সাহিত্যত গহীন অথচ মধুৰ ভাষা ব্ৰজবুলিৰ আশ্ৰয় ল'লে। শংকৰ-মাধৱৰ দ্বাৰা ব্ৰজবুলিত ৰচিত গীতসমূহ পৰৱৰ্তী যুগত বৰগীত নামে জনাজাত হয়। বৰগীতৰ ভাষা ব্ৰজবুলি বা ব্ৰজাৱলী। বৰগীতসমূহ অসমৰ ধ্ৰুপদী বা ক্লাছিকেল সংগীত। শংকৰদেৱ বিৰচিত এনে গীতবোৰে কেনেকৈ শিষ্যসকলক তেওঁৰ ওচৰলৈ আকৰ্ষণ কৰি আনিছিল সেই কথা চৰিতপুথিসমূহত সবিস্তাৰে পোৱা যায়। মহাপুৰুষ দুজনাই দি যোৱা বৰগীত আৰু নাটৰ গীত (ভটিমা, টোটয় আৰু চপয়) সমূহৰ উপৰি সত্ৰত পালিত, বৰ্ধিত আৰু বৰগীতৰ আৰ্হিত বিকশিত হোৱা গীতখিনিকো ভক্তি সাহিত্যৰ অন্তৰ্গত গীতি সাহিত্যৰ পৰিসীমাত ধৰা হয়।

শাস্ত্ৰীয় পৰ্যায়ৰ গীতসমূহৰ ভিতৰত বৰগীতসমূহ উল্লেখযোগ্য। বৰগীত বুলিলে আমি —ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে মহাপুৰুষ দুজনাই যি গীতিকবিতা ৰচনা কৰিলে সেই গীতিকবিতাখিনিকে বুজোঁ। এফালৰ পৰা চাবলৈ গ'লে ক'ব পাৰি এই গীতসমূহক এক সুকীয়া মৰ্যাদা দি 'বৰগীত' বোলা হৈছে। অৱশ্যে গুৰু দুজনাই 'বৰগীত' অভিধাতো প্ৰয়োগ কৰা নাছিল, তেওঁলোকে 'গীত' বুলিহে কৈছিল (চৰিতপুথিত উল্লেখ আছে— 'অনেক শ্ৰমকৈ গীতখানি কৈইলো')। পৰৱৰ্তীসময়ত তেওঁলোকৰ শিষ্য-প্ৰশিষ্যসকলে এই মহত্বপূৰ্ণ গীতসমূহক শ্ৰেষ্ঠত্বসূচক 'বৰ' বিশেষণটো সংযোগ কৰি বৰগীত আখ্যা দিয়ে। এই গীতসমূহত সাধাৰণ প্ৰেম-বিৰহ বা শৃঙ্গাৰ ৰসৰ প্ৰাদুৰ্ভাব নাই। গুৰু দুজনাই ৰচনা কৰা বৰগীতৰ সংখ্যাৰ ক্ষেত্ৰত বিভিন্ন পণ্ডিতৰ মাজত মতবিৰোধ আছে। চৰিতপুথি মতে শংকৰদেৱে ৰচনা কৰা গীতসমূহ কমলা বায়নে আওৰাবলৈ নিওঁতে বনপোৱা জুইত সকলো জাহ গ'ল। তাৰে ভিতৰত ভকতসকলৰ মুখত 35 টা (কাৰোবাৰ মতে 34 টা) গীতহে ৰ'ল। মনৰ দুখত শংকৰদেৱে প্ৰিয় শিষ্য মাধৱদেৱক এনে গীত ৰচনা কৰিবলৈ আজ্ঞা দিয়ে। তেওঁ গুৰু আজ্ঞা শিৰোধাৰ্য কৰি নকুৰি এঘাৰটা গীত ৰচনা কৰে। অৱশ্যে বৰ্তমানলৈকে তাৰে 182 টা গীতহে উদ্ধাৰ হৈছে। অৱশ্যে খেনোৰ মতে এই সংখ্যাতো তাৰতম্য আছে।

এই গীতসমূহক বাণীকান্ত কাকতিয়ে 'Noble Numbers', কালিৰাম মেধিয়ে 'The great song or song celestial', দেবেন্দ্ৰনাথ বেজবৰুৱাই 'Holy song', মহেশ্বৰ নেওগে 'অসমৰ ক্লাচিকেল সংগীত' আৰু ৰাজমোহন নাথে 'Classical song' বুলি কৈছে। বৰগীতৰ ভাষা, বিষয়বস্তুৰ সংৰক্ষণশীলতা, সুৰ, চৈধ্য প্ৰসঙ্গৰ পৰিক্ৰমাত স্থান, সীমাবদ্ধ পবিত্ৰতা আৰু ভক্তিৰ গাঢ়তা — এই ছটা বিশেষত্বৰ বাবে অন্যান্য গীতৰ পৰা পৃথক কৰি ৰাখিছে। বৰগীতত শ্ৰীকৃষ্ণৰ মাহাত্ম্য ফুটি উঠাৰ লগতে শান্ত, বাৎসল্য আৰু দাস্য ভাব প্ৰধানভাৱে প্ৰকাশিত হৈছে। অসমৰ এগৰাকী প্ৰসিদ্ধ সংগীতজ্ঞ তথা শিক্ষাবিদ বীৰেন্দ্ৰনাথ দত্তই সত্ৰীয়া সংগীত বা বৰগীতত দুটা সুকীয়া পৰম্পৰাৰ অস্তিত্ব আছে বুলি মত পোষণ কৰি সেয়া — সৰ্বভাৰতীয় পৰম্পৰা আৰু আনটো হ'ল অসমীয়া

দৈত্যাৰি ঠাকুৰ, গোপাল আতা, শ্রীৰাম আতা, ৰামচন্দ্র দ্বিজ, বৰযদুমণি, সনাতনদেৱ, পুৰষোত্তম ঠাকুৰ, নাৰায়ণ দাস ঠাকুৰ, চান্দসাই, দামোদৰদেৱ, হৰিদেৱ আদিয়েও ভালেমান ফকৰা গীত-পদ আদি ৰচনা কৰাৰ কথাও চৰিত পুথিবোৰত উল্লেখ আছে। উদাহৰণস্বৰূপে অনিৰুদ্ধদেৱে নকুৰি গীত ৰচনা কৰাৰ কথা চৰিত পুথিত পোৱা যায়। এওঁলোকে গুৰু দুজনাৰ আৰ্হিতে গীত ৰচনা কৰিবলৈ যত্ন কৰিছিল। এই সম্পর্কে ড০ সত্যেন্দ্রনাথ শর্মাৰ মন্তব্যটি উল্লেখযোগ্য — "বৰগীতৰ ঐতিহ্যবহনকাৰী এই গীতসমূহে এহাতে যেনেকৈ উচ্চাংঙ্গ সংগীতৰ ধাৰা অব্যাহত ৰাখে তেনেকৈ ভক্তিধর্মৰ সমাদৰ বঢ়োৱাত আৰু গীতিকাৰসকলৰ কৃষ্ণভাৱত আপ্লুত-আকুল হৃদয়ৰ নিৰঙ্কুশ প্রকাশ প্রদর্শন কৰাত সফলতা লাভ কৰিছে।"

৫.৫.৩ নাট

শংকৰদেৱ অসমীয়া নাটকৰ জনক। চৰিতপুথিত উল্লেখ থকা মতে— মহাপুৰুষজনাই ঊনৈশ বছৰ বয়সত আলিপুখুৰীত থকা কালতে *চিহ্নযাত্রা* ভাওনা মঞ্চস্থ কৰে আৰু নব্য ধাৰণাৰে ধর্ম প্রচাৰৰ প্রক্রিয়া আৰম্ভ কৰে। তেওঁৰ প্রধান শিষ্য মাধৱদেৱেও এই প্রচেষ্টাত সমানে হাত উজান দিছিল। দৃশ্য-শ্রাব্য ৰূপত কৃষ্ণমাহাত্ম্য প্রচাৰৰ বাবেই শংকৰদেৱে নাট ৰচনা কৰিছিল। শংকৰদেৱৰ কাপৰ পৰা নিসৃত হয় *পত্নীপ্রসাদ, কালিদমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ* আৰু *ৰামবিজয়* নাট। তেওঁৰ প্রধান শিষ্য মাধৱদেৱে লিখি উলিয়ায় *চোৰধৰা, পিম্পৰা গুচোৱা, ভোজন-বিহাৰ, অর্জুন ভঞ্জন, ভূমি লেটোৱা* আদি নাট। এই প্রচেষ্টাবোৰেই আছিল অসমীয়া নাট্য ধাৰাৰ প্রথম পদক্ষেপ।

মহাপুৰুষজনাই মূলতঃ *ভাগৱত পুৰাণ, বিষ্ণু পুৰাণ* আৰু *হৰিবংশ*ৰ পৰা সমল সংগ্রহ কৰি (কেৱল *ৰামবিজয়ত ৰামায়ণ*ৰ পৰা) নাটকেইখনৰ মাজেদি কৃষ্ণ-ৰামৰ শ্রেষ্ঠত্বৰ কথা প্রকাশ কৰি তেওঁৰ শ্রীচৰণত নিজকে সমর্পন কৰাৰ কথা ব্যক্ত কৰিছে। তেওঁৰ প্রিয় শিষ্য মাধৱদেৱে ৰচনা কৰা নাট কেইখনত আমি কৃষ্ণৰ শিশুলীলা প্রকট হোৱা দেখিবলৈ পাওঁ। এই নাটকেইখনৰ মাজেদি মহাপুৰুষ দুজনাই কৃষ্ণৰ চৰিত্রটো মাজে মাজে লৌকিক চৰিত্র দৰে কৰি তুলিবলৈ যত্ন কৰিছে যদিও তেওঁৰ অলৌকিক আৰু ঐশ্বৰিক দিশটোৰ কথা বাৰে বাৰে সোঁৱৰাই তেওঁতে সমর্পিত হ'বলৈ আহ্বান জনাইছে। বিশেষকৈ মাধৱদেৱৰ নাটকেইখনত কৃষ্ণৰ দ্বৈত ৰূপ সুন্দৰভাৱে প্রকাশ পাইছে।

অংকীয়া নাটৰ প্রধান উপাদান চাৰিটা— গীত, শ্লোক, কথাসূত্র আৰু সংলাপ। অংকীয়া নাটৰ সকলোবিলাক চৰিত্রৰ প্রৱেশ-প্রস্থান, যুদ্ধ-বিলাপ-নৃত্য সকলো গীতৰ মাজেৰেই সম্পূর্ণ হয় আৰু এই গীতবোৰৰ মাজতেই নাটখনৰ কাহিনীভাগ সম্পূর্ণকৈ পাব পাৰি। গীতৰ ভাগসমূহৰ সম্পর্কে ইতিমধ্যে আগৰ শাখাটোত উল্লেখ কৰি অহা বাবে ইয়াত আৰু পুনৰাই আলোচনা কৰা নহ'ল। অঙ্কীয়া নাটত ব্যৱহৃত শ্লোকসমূহ

প্রশ্ন নং ৬ ঃবীৰেন্দ্রনাথ দত্তই সত্রীয়া সংগীত বা বৰগীত কেইটা আৰু কি কি সুকীয়া পৰম্পৰাৰ অস্তিত্ব আছে বুলি মত পোষণ কৰিছে?

.....

প্রশ্ন নং ৭ ঃ মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰৰ দ্বাৰা ৰচিত নাটখনৰ নাম কি?

.....

৫.৫.৪ অনুবাদ সাহিত্য

ইতিমধ্যে আমি উল্লেখ কৰি আহিছোৱেই যে, অসমীয়া ভক্তি সাহিত্যৰাজি মূলতঃ অনুবাদমূলক। এই অনুবাদমূলক সাহিত্যৰাজিৰ মাজত কেনে বৈশিষ্ট্য ৰক্ষিত হৈছে সেই বিষয়েও আমি আগৰ শাখা এটাত বহলাই আলোচনা কৰি আহিছো বাবে ইয়াত আৰু পুনৰাই আলোচনা কৰা নাযাব। মন কৰিবলগীয়া যে প্রাক্-শংকৰী যুগতেই আদিকবি মাধৱ কন্দলীয়ে বাল্মিকীৰ *ৰামায়ণ*খন অসমীয়ালৈ অনুবাদ কৰি অসমীয়া অনুবাদ পৰম্পৰাৰ শুভাৰম্ভ কৰে। শংকৰদেৱে *ভাগৱত* পুৰাণৰ 1ম, 2য়, 6ষ্ঠ, 8ম, 11শ, 12শ স্কন্ধৰ লগতে দশম স্কন্ধৰ প্রথম 47 টা অধ্যায় (আদি দশম বুলি পৰিচিত) আৰু *ৰামায়ণ*ৰ উত্তৰাকাণ্ড অসমীয়ালৈ অনুবাদ কৰি অসমীয়া ভক্তি সাহিত্যৰ ভঁৰাল চহকী কৰে। তেওঁৰ প্রধান শিষ্য মাধৱদেৱেও *ৰামায়ণ*ৰ আদিকাণ্ড, বিষ্ণুপুৰী সন্ন্যাসীৰ *ভক্তি ৰত্নাৱলী, নামমালিকা* অসমীয়ালৈ অনুবাদ কৰে। প্রসংগক্রমে উল্লেখযোগ্য যে বৈষ্ণৱ চাৰি পুথিৰ অন্যতম *নামঘোষা*খনৰো প্রায় ছশমান শ্লোক সংস্কৃতৰ পৰা অনুদিত। অৱশ্যে এইখন গ্রন্থত মাধৱদেৱে বিষয়বস্তু এনেদৰে আত্মভূত কৰি অসমীয়ালৈ অনুবাদ কৰিছে যে সেয়া মুঠেও অনুবাদ যেন অনুভূত নহয়।

তেওঁলোকৰ বয়োকণিষ্ঠ সমসাময়িক অনন্ত কন্দলীয়েও *ভাগৱত*পুৰাণৰ দশম স্কন্ধৰ মধ্য আৰু অন্ত্য ভাগ, *ৰামায়ণ*ৰ অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড আৰু কিষ্কিন্ধ্যাকাণ্ড অনুবাদ কৰি ভক্তি সাহিত্যত নিজৰ অর্ঘ আগবঢ়াইছে। বধকাব্যৰ ৰচয়িতা ৰাম সৰস্বতীয়েও *মহাভাৰত*ৰ কেইবাটাও পর্ব অসমীয়ালৈ অনুবাদ কৰে — আদিপর্ব, সভাপর্বৰ কিছু অংশ, বনপর্ব, বিৰাট পর্বৰ কীচক বধ পর্যন্ত, উদ্যোগ পর্ব, ভীষ্মপর্ব (অধিকাংশ), দ্রোণপর্ব (গোপীনাথ পাঠকৰ সহযোগত), কর্ণপর্ব (বিদ্যাপঞ্চাননৰ সহায়ত) অনুবাদ কৰে। তদুপৰি জয়দেৱৰ *গীত-গোবিন্দ কাব্য*ৰ বিষয়বস্তুৰ সৈতে *ভাগৱত* পুৰাণৰ কথাবস্তু সংমিশ্রণ কৰি *গীত গোবিন্দ* নামেৰে আন এখন অনুসৃষ্টিমূলক পুথিও তেওঁ প্রণয়ন কৰে।

মন কৰিবলগীয়া যে, শংকৰোত্তৰ যুগৰ অধিকাংশ পুথিয়েই আছিল অনুবাদমূলক। বিশেষকৈ *ৰামায়ণ-মহাভাৰত*ৰ বিভিন্ন কাহিনী উপকাহিনী, পুৰাণৰ অনুবাদেৰে বিভিন্নজন ভক্ত কবিয়ে অসমীয়া সাহিত্যৰ ভঁৰাল বিবিধ মণি-মৰকতেৰে ভৰাই তোলে। তেওঁলোকৰ ভিতৰত গোপীনাথ পাঠকৰ *দ্রোনপর্ব, সভাপর্ব, স্বর্গাৰোহণ*

ঠাঁচত সন্ত-মহন্তই কথা কোৱা আদর্শত ৰচনা কৰা।

পোন প্রথমে মহাপুৰুষ মাধৱদেৱৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰে *শংকৰ চৰিত* নামৰ চৰিত পুথি এখন প্রণয়ন কৰে বুলি কোনো কোনো পণ্ডিতে অভিমত দিয়ে। সেই হিচাপে পুথিখন খ্রীষ্টীয় ষোড়শ শতিকাৰ শেষ নাইবা সপ্তদশ শতিকাৰ আদি ভাগত ৰচিত বুলি অনুমান কৰা যায়। ৰামচৰণৰ পুত্র দৈত্যাৰি ঠাকুৰেও *শংকৱদেৱ-মাধৱদেৱ চৰিত* নামৰ চৰিত পুথি এখন প্রণয়ন কৰে। ইয়াৰ উপৰি ভূষণদ্বিজৰ *শংকৰ চৰিত,* ৰমানন্দ দ্বিজৰ *গুৰুচৰিত* আদি উল্লেখযোগ্য চৰিতপুথি। এই চৰিত পুথিসমূহ খ্রীষ্টীয় সপ্তদশ শতিকাৰ মাজভাগলৈ ৰচিত হয়।

অষ্টাদশ শতিকাত চৰিত সাহিত্যই বিশেষভাৱে বিকাশ লাভ কৰে। সপ্তদশ শতিকাৰ দৰে এই যুগতো সৰহভাগ চৰিত পুথি ছন্দত ৰচিত। কিন্তু গদ্যত ৰচা চৰিত পুথি কেইখনহে এই যুগৰ উল্লেখযোগ্য দান। সেই পুথিকেইখন অকল কলেৱৰতেই বৃহৎ নহয়, সেই যুগৰ গদ্য সাহিত্যৰ উৎকৃষ্ট নিদর্শন স্বৰূপেও তাৰ মূল্য অধিক। গদ্যত ৰচিত এনে দুখন উল্লেখযোগ্য চৰিত পুথি হ'ল— উপেন্দ্র চন্দ্র লেখাৰুদেৱৰ সম্পাদিত *কথা-গুৰুচৰিত* আৰু লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ *বাঁহী*ত প্রকাশিত আৰু বর্তমান মহেশ্বৰ নেওগদেৱৰ সম্পাদনাত প্রকাশিত *বৱদোৱা গুৰু চৰিত*। ইয়াৰ উপৰি বনমালীদেৱৰ সেৱক গোবিন্দদাসৰ *সপ্ত সম্প্রদায়* আৰু ভট্টদেৱৰ নামত প্রচলিত *সৎ সম্প্রদায় কথা* নামৰ গদ্যত ৰচিত চৰিত পুথি দুখনো এই শতিকাৰে ৰচনা। পদ্যত ৰচিত চৰিত পুথিসমূহৰ ভিতৰত নীলকণ্ঠ দাসৰ *দামোদৰ চৰিত,* কৃষ্ণ মিশ্রৰ *দামোদৰ চৰিত,* ৰামনাথ মহন্তৰ *সন্ত-মুক্তাৱলী,* বিভূনাথৰ *এটকা মহন্তৰ ঝুনা* আদি উল্লেখযোগ্য।

চৰিত পুথিসমুহত কেৱল যে ধর্মীয় প্রসংগইহে অগ্রাধিকাৰ লাভ কৰিছিল এনে নহয়, ৰৱঞ্চ তাৰ পাঠসমূহৰ মাজে মাজে সন্নিৱিষ্ট হোৱা টুকুৰা টুকুৰ চিত্রসমূহৰ মাজেদি সমসাময়িক সত্রীয়া সমাজ আৰু লগতে সর্বসাধাৰণ ৰাইজৰ জীৱন প্রণালী আৰু চিন্তাৰ আভাস পোৱা যায়। সেই ফালৰ পৰা বিচাৰ কৰিলে চৰিত পুথিক বৈষ্ণৱ ধর্মীয় পৰম্পৰাৰ লগতে সমসাময়িক অসমীয়া সমাজ জীৱনৰ দাপোণ বুলি ক'লেও ভুল কোৱা নহ'ব।

প্রসংগক্রমে স্মৰণযোগ্য যে, ভক্তি সাহিত্যই অসমীয়া মানুহৰ আদর্শ আৰু মূল্যবোধ গঢ় দিয়াই নহয়, অসমীয়া ভাষাৰ আধুনিকতামুখী বিকাশতো উল্লেখযোগ্য ৰৱঙণি যোগাইছে। ইতিমধ্যে আমি অংকীয়া নাট আৰু গদ্যত ৰচিত চৰিত পুথিৰ কথা উল্লেখ কৰি আহিছোঁ। ইয়াৰে অংকীয়া নাটৰ গদ্য আছিল বৃত্তগন্ধী গদ্য আৰু চৰিত পুথিৰ গদ্য অষ্টাদশ শতিকাৰ হে। শংকৱদেৱৰ তিৰোভাৱৰ সমসাময়িক সময়ত অসমীয়া সাহিত্য ৰচনাত গদ্যৰ ব্যৱহাৰ আৰম্ভ হয়। ভট্টদেৱে (1480–1560 শক) হাতত আঁৰিয়া ধৰি অসমীয়া গদ্যক পোনপটীয়া আৰু প্রধানভাৱে সাহিত্য ৰচনাৰ ক্ষেত্রত ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে। সেইবাৰেই ভট্টদেৱক অসমীয়া গদ্য সাহিত্যৰ জনক বুলি কোৱা

পুথি ৰচনা কৰাৰ উপৰি *নীতিৰত্ন* আৰু *কল্পদ্রুম* নামেৰে দুখন স্মৃতি শাস্ত্র সম্পাদনা কৰিছিল। ৰত্নাকৰ মিশ্রয়ো *ব্রহ্মগীতা* আৰু *গীতা কীর্তন* প্রণয়ন কৰি অসমীয়া ভক্তি সাহিত্যলৈ অৱদান আগবঢ়ালে। শংকৰোত্তৰ যুগত অনিৰুদ্ধদেৱে *ভক্তিমংগল ঘোষা, পুৰঞ্জন উপাখ্যান, নিজশাস্ত্র;* শ্রীৰাম আতাই প্রকৰণ গ্রন্থ *ঘোষাৰ পটল* আদি প্রকাশ কৰি এই ধাৰাটি অব্যাহত ৰাখিলে।

এই আলোচনাৰ পৰা আমি পতিয়ন যাব পাৰোঁ যে, শংকৰদেৱকে কেন্দ্র কৰি তেওঁৰ শিষ্য-প্রশিষ্যসকলে এক বিপুল সাহিত্য সম্ভাৰেৰে অসমীয়া সাহিত্যৰ উৎকর্ষ সাধন কৰি অসমীয়া ভক্তি সাহিত্যক এক উচ্চ স্থানত উপৰিষ্ট কৰালে। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে শংকৰদেৱ-মাধৱদেৱৰ প্রয়াণৰ পিছত চৰিত সাহিত্যৰ বাদে আন কোনো ধৰণৰ মৌলিক বৈশিষ্ট্যেৰে ভক্তি সাহিত্যৰাজি উদ্ভাসিত হোৱা নাছিল বাবে সেই সময়ছোৱাক অৱসাদৰ কাল বুলিও অভিহিত কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ *শ্রীৰাম-কীর্তন* পুথিখনৰ ৰচনাকাৰ কোন?

.....

প্রশ্ন নং ৯ ঃ কেতিয়াৰ পৰা গদ্যত চৰিত পুথি ৰচনা কৰাৰ পৰম্পৰা আৰম্ভ হয়?

.....

প্রশ্ন নং ১০ ঃ অনন্ত কন্দলীয়ে সম্পাদনা কৰা স্মৃতি শাস্ত্র কেইখনৰ নাম কি কি?

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে নব্য প্রতিষ্ঠিত নৱ-বৈষ্ণৱ ধর্ম প্রচাৰৰ বাবে অহোপুৰুষার্থভাৱে বিবিধ কাব্য, নাট, গীত আদি ৰচনা কৰি সেই কর্মত প্রবৃত হোৱাৰ লগতে অসমীয়া সাহিত্যৰ ভঁৰালো বিবিধ উপাচাৰেৰে ভৰাই তুলিলে। শ্রীকৃষ্ণৰ মহিমা প্রচাৰ কৰি সর্বসাধাৰণ ৰাইজক তেওঁৰ ভক্তিত নিমজ্জিত কৰাৰ উদ্দেশ্যে ৰচিত হোৱা এই সাহিত্যৰাজিকে 'ভক্তি সাহিত্য' বুলি অভিহিত কৰা হয়।
- অসমীয়া ভক্তি সাহিত্যৰ পটভূমি আৰু স্বৰূপ সম্পর্কে সম্যক ধাৰণা প্রদান কৰাৰ লগতে অসমীয়া ভক্তি সাহিত্যত উদ্ভাসিত হোৱা মূল বৈশিষ্ট্যসমূহো চমুকৈ আলোচনা কৰা হ'ল।

13) বৰ্মন, শিৱনাথ (1997); *শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব;* গোলাঘাট ঃ পুথিতীৰ্থ।

14) বৰ্মন, শিৱনাথ (সম্পাঃ) (1997); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

15) ভট্টাচার্য, হৰিচন্দ্র (1988); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি (আদিৰ পৰা 1967 চন পৰ্যন্ত);* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

16] মহন্ত, জগন্নাথ (2005); *সত্ৰীয়া নৃত্যৰ কথা*; গুৱাহাটী ঃ অসম সাহিত্য সভা।

17] মজুমদাৰ, বিমল (2001] Ê, *পুৰাণৰ পৰিচয়;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

18] মহন্ত, প্রদীপ জ্যোতি (2007); *শংকৰদেৱৰ শিল্পলোক;* গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।

19) মহন্ত, প্রদীপজ্যোতি (সম্পাঃ)(2000); *শ্ৰীমন্ত শংকৰদেৱ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী ঃ পূৰেৰুণ প্রকাশন।

20) ৰায়চৌধুৰী, অনিল (2010); *অসমৰ সমাজ ইতিহাসত নৱবৈষ্ণৱবাদ;* গুৱাহাটী।

21] শর্মা, উপেন্দ্রনাথ (1994); *বৈষ্ণৱ ভক্তি-ধাৰা আৰু সন্ত কথা;* গুৱাহাটী ঃ বৰুৱা এজেঞ্চী।

22] শর্মা, তীর্থনাথ (1995); *ভক্তিবাদ;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

23] শর্মা, সত্যেন্দ্রনাথ (2002); *অসমীয়া নাট্য সাহিত্য;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

24) শর্মা, সত্যেন্দ্রনাথ (2006); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

25) হাজৰিকা, অতুলচন্দ্র (1995); *মঞ্চলেখা;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ

26) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

27) Choudhury, P. C. (1966). *History and Civilization of the People of Assam*. Guwahati.

28] Goswami, S. C. (1946). *Introducing, Assam Vaisnavism.* Guwahati: Gauhati University.

29) Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons.* Guwahati: Purbanchal Prakash.

30] Neog, M. (1965). *Sankardeva and His Times : Early History of the Vaisnava Faith and Movement in Assam.* Guwahati: Gauhati University.

31) Sarma, S. N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam.* Guwahati: Gauhati University.

খ) ৰঘুনাথ মহন্তই ৰচনা কৰা কাব্যকেইখনৰ নাম লিখক।

গ) গোপালদেৱ বা ভৱানীপুৰীয়া গোপাল আতা ৰচিত নাট কেইখনৰ নাম লিখক।

ঘ) চৰিত তোলা প্ৰথা মানে কি?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভক্তি সাহিত্য বুলিলে কি বুজে? অসমীয়া সাহিত্যৰ কোনছোৱা কালক ভক্তি সাহিত্যৰ যুগ বুলিব পাৰি?

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

(ক) কাব্য সাহিত্য (খ) গীতি সাহিত্য

(গ) চৰিত সাহিত্য (ঘ) অনুবাদ সাহিত্য।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় ভক্তি জাগৰণৰ পটভূমিত অসমীয়া ভক্তি সাহিত্যৰ পটভূমি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভক্তি সাহিত্যৰ স্বৰূপ বৰ্ণনা কৰি তাৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া ভক্তি সাহিত্যলৈ শংকৰদেৱৰ অৱদান— এটি প্ৰবন্ধ যুগত কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভক্তি সাহিত্যৰ শ্ৰেণীবিভাজন কৰি এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ৫ ঃ 'অসমীয়া ভক্তি সাহিত্য মূলতঃ অনুবাদমূলক' — কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

*** ***** ***